জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৬৭/২০২১**

# ডিফুত জব্দকৃত ড্ৰাগছ বিনষ্টকৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ অসম আৰক্ষীক পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিফুৰ পাঁচ মাইলৰ কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ খেলপথাৰত 'ড্ৰাগছ মুক্ত অসম' গঢ়ি তোলাৰ উদ্দেশ্যৰে বিগত দুমাহত অসম আৰক্ষীয়ে চলোৱা অভিযানৰ সময়ত জব্দ কৰা ড্ৰাগছ বিনষ্ট কৰাৰ বাবে আয়োজিত এক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীয়ে জব্দকৃত ড্ৰাগছত অগ্নিসংযোগ কৰে।

আজিৰ এই অনুষ্ঠানত ১১.৮৮ কিলোগ্ৰাম মৰ্ফিন, ২.৮৯ কিলোগ্ৰাম ক্ৰিষ্টাল মেথ, ৩.৪৭ কিলোগ্ৰাম হেৰ'ইন, ১০২.৯১ কিলোগ্ৰাম কেনাবিছ আৰু ২,০৩,৩৮৪ সংখ্যক নিচাযুক্ত টেবলেট বিনষ্ট কৰা হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীলতা অৱলম্বন কৰিছে। ড্ৰাগছৰ কুপ্ৰভাৱৰ ফলত বহু যুৱক-যুৱতীৰ ভৱিষ্যতৰ প্ৰতি গুৰুতৰ ভাবুকি সৃষ্টি হোৱাৰ লগতে বহু পৰিয়াল ধ্বংস হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বে ড্ৰাগছ ব্যৱসায়ীসকলে অসমৰ মাজেদি মূলতঃ ড্ৰাগছ সৰবৰাহ কৰিছিল। কিন্তু ক্ৰমান্বয়ে ই এক বৃহৎ বজাৰত পৰিণত হৈছে। যিয়ে সমাজখনৰ প্ৰতি এক ডাঙৰ ভাবুকি কঢ়িয়াই আনিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ীসকলৰ বিৰুদ্ধে সময়ে সময়ে ব্যৱস্থা গ্ৰহণ কৰি অহা সত্ত্বেও ভিতৰৰে কেতবোৰ দুষ্টচক্ৰৰ সৈতে মিতিৰালি কৰি এই ব্যৱসায়ীসকলে দুষ্কাৰ্য চলাই আহিছিল। ড্ৰাগছৰ কুপ্ৰভাৱৰ পৰা সমাজখন যাতে মুক্ত কৰিব পৰা যায় তাৰ বাবে অসম আৰক্ষীক আইনৰ পৰিধিৰ ভিতৰত থাকি অতি দৃঢ় আৰু নিৰ্ণায়কভাৱে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ স্বাধীনতা প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সামাজিক পৰিকাঠামোটোক কুঠাৰাঘাত কৰা ড্ৰাগছ ব্যৱসায়ীসকলৰ বিৰুদ্ধে সহমৰ্মিতা প্ৰকাশ কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। ৰাজ্যত যি ড্ৰাগছ ইতিমধ্যে জব্দ হৈছে সেয়া অসমলৈ অহা ড্ৰাগছৰ প্ৰায় ১০ শতাংশ মানহে হ'ব। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যৰ মাজেৰে সৰবৰাহ হোৱা আৰু ব্যৱসায় চলা ড্ৰাগছৰ বজাৰখন প্ৰায় ৩ হাজাৰ কোটিৰো অধিক হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যৰ মাজেৰে ড্ৰাগছ সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰা আৰু ড্ৰাগছৰ ব্যৱসায় বন্ধ কৰাৰ বাবে অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। অসম চৰকাৰে চলোৱা ড্ৰাগছ বিৰোধী অভিযানলৈ

সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে মণিপুৰ আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী দুগৰাকীকো ধন্যবাদ জনায়। ড্ৰাগছ বিৰোধী অভিযানত অসম আৰক্ষীয়ে প্ৰদৰ্শন কৰা সাহসিকতা আৰু নিষ্ঠাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়।

কাৰ্বি আংলং জিলাৰ উন্নয়নৰ প্ৰতি বৰ্তমানৰ ৰাজ্য চৰকাৰখন দায়বদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাজেটত উল্লেখ কৰা ধৰণে জিলাখনত এখন ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগতে এটা কামাণ্ড' বেটেলিয়ানো স্থাপন কৰা হ'ব। কাৰ্বি আংলঙত এটা বিমান বন্দৰ স্থাপন কৰাৰ বাবে চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ লগত হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমান চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ড্ৰাগছ সম্বন্ধীয় ৮৭৪ টা গোচৰ ৰুজু কৰা হৈছে। তদুপৰি ৰাজ্যখনত ১৪৯৩ গৰাকী ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ উপৰি ১৬৩ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে। তেওঁ লগতে কয় যে বিগত দুটা মাহত অসম আৰক্ষীয়ে ১৯ কেজি হেৰ'ইন, ৮২৭৬ কিলোগ্ৰাম গাঞ্জা, ১৪ কিলোগ্ৰাম অপিয়াম, ৬৭,৬৫০ টা কফ চিৰাপ, ১২,৯৩,০০০ টা নিচাযুক্ত টেবলেট, ১৯২০ কেজি মৰফিন, ৩৩,০১৪ সংখ্যক পপি ষ্ট্ৰ, ১ কোটি টকা নগদ ধন, ১৩,৬৩০ টকা মূল্যৰ বিদেশী মুদ্ৰা, ৬.৮০ লাখ টকাৰ নকল ভাৰতীয় নোট জব্দ কৰাৰ উপৰি ৩১ বিঘা ভূমিৰ কেনাবিজ খেতি ধ্বংস কৰিবলৈ সক্ষম হৈছে।

আজিৰ এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, কেইবাগৰাকীও বিধায়ক তথা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে।

**বীঃগঃ**

**১৭/০৭/২০২১**